
# আলফ্রেড হিচকক

প্রতিভা ॥ জিতুমণি পাঠক




আলফ্রেড হিচকক— চিত্রপ্রেমীসকলৰ মনলৈ এই দুটা শব্দই কঢ়িয়াই আনে এক নামহীন শিহৰণ। হিচককৰ ছবি মানেই ছাছপেন্স, থ্রীলাৰৰ সমাহাৰ। হিচককৰ নাম শুনিলেই মনলৈ ভাহি আহে এক বিশেষধৰণৰ ছবিৰ কথা, যিখন ছবিত প্রতিটো খোজতেই থাকিব হৃদকম্পন বৃদ্ধি কৰি দিব পৰা উৎকণ্ঠা-উত্তেজনা। নিজৰ ছবি সম্পর্কত এবাৰ হিচককে ৰসিকতা কৰি কৈছিল, 'মই যদি কেতিয়াবা 'চিণ্ডৰেলা'ৰ দৰে ৰূপক এটাক লৈও ছবি নির্মাণ কৰো, তেনে ছবিতো মানুহে মৃতদেহৰ অস্তিত্বৰেই সন্ধান কৰিব।' হিচককে নিজৰ ছবিৰ জৰিয়তে দর্শকৰ মাজত এনে এটা ইমেজৰ সৃষ্টি কৰি লৈছিল যে দর্শকে হিচকক্ক তেনে ৰূপৰ বাহিৰে আন ৰূপত কল্পনা কৰিবই টান পাইছিল।

অতি সাধাৰণভাৱে ফিল্মী কেৰিয়াৰ আৰম্ভ কৰি আলফ্রেড হিচককলৈ ৰূপান্তৰিত হোৱাৰ কাহিনীটো ৰূপকথাৰ কাহিনীৰ দৰেই মনোৰম। বিশ্ব বৰেণ্য এই পৰিচালকগৰাকীয়ে ছবিজগতত খোজ পেলাইছিল নির্বাক ছবিৰ টাইটেল কার্ড ডিজাইনাৰ হিচাপে। কিন্তু মনত গোপনে পুহি ৰাখিছিল চিত্র পৰিচালক হোৱাৰ উদগ্র বাসনা। মানুহৰ আকাংক্ষা যেতিয়া তীব্র হয়, তাক বাধা দি ৰখাটো সম্ভৱ নহয়। ফলস্বৰূপে অতি শীঘ্রেই আলফ্রেড হিচককৰ আত্মপ্রকাশ ঘটিল এগৰাকী চিত্র পৰিচালক হিচাপে। তেওঁৰ প্রথম ছবিখন আছিল মাত্র দুটি ৰীলৰ, যাৰ নাম আছিল 'নাম্বাৰ থাৰটিন'। বাণিজ্যিক দিশত একেবাৰে অসফল ছবি। পিছত হিচককে নিজেই প্রথম ছবিৰ নামকৰণ সম্পর্কত ৰসিকতা কৰি কৈছিল, 'সেই ছবিৰ যিহে নাম দিছিলো, সেইখন যদি হিট হ'লহেঁতেন মই নিজেই অবাক হ'লোহেঁতেন।'

হিচককৰ জীৱনলৈ সাফল্য কঢ়িয়াই আনে 'দি লজৰ' নামৰ ছবিখনে। কাহিনীটো আছিল কুখ্যাত 'জ্যাক দ্য ৰিপাৰ' নামৰ হত্যাকাৰীজনৰ। সেই অজ্ঞাত হত্যাকাৰীজনে এজনীৰ পিছত এজনীকৈ গণিকাক প্রথমতে বর্বৰতাৰে ধর্ষণ কৰি পিছত নৃশংসভাৱে হত্যা কৰিছিল, যাক ৰুধিবলৈ স্কটলেণ্ড য়ার্ডো ব্যর্থ হৈছিল। এই কুখ্যাত হত্যাকাৰী 'জ্যাক দ্য ৰিপাৰ'ক লৈ সেই সময়ত বহুকেইখন কাহিনী চিত্র নির্মাণ হৈছিল। কিন্তু হিচককে সেই প্রচলিত কাহিনীটোক ইমান সুন্দৰকৈ উপস্থাপন কৰিছিল যে ই দর্শকৰ লগতে চিত্র সমালোচকসকলৰো ভূয়সী প্রশংসা লাভ কৰিছিল। ইয়াৰ পিছত আৰু তেওঁ ক'তো, কেতিয়াও থমকি ৰ'ব লগা নহ'ল। এখনৰ পিছত এখনকৈ ছবি নির্মাণ কৰি নিজৰ যি বিজয় যাত্রা আৰম্ভ কৰিলে, মৃত্যুৰ আগলৈ সি চলি থাকিল অবিৰতভাৱে।

বৃটিছ ছবিজগতৰ ইতিহাসত আলফ্রেড হিচককৰ নাম অন্য এটা কাৰণত সোণালী আখৰেৰে লিপিবদ্ধ হৈ আছে— সেয়া হ'ল তেওঁৰ বৃহৎ বাজেটৰ ছবি 'ব্লেকমেইল'ৰ বাবে। তেতিয়ালৈ বৃটিছ ছবিজগতত চলি আছিল নির্বাক ছবিৰ যুগ। কিন্তু 'ব্লেকমেইল' ছবিয়ে প্রথম সবাক ছবি হিচাপে বৃটিছ ছবিজগতত এটা নতুন অধ্যায়ৰ সংযোজন ঘটালে। লগতে চিৰস্মৰণীয় হৈ ৰ'ল আলফ্রেড হিচকক।

'ব্লেকমেইল'ৰ পিছতে হিচককে ভৰি দিলেহি হলীউডত। হাতত মূলধন হিচাপে প্রবল আত্মবিশ্বাস। কিন্তু তেতিয়া বেছিভাগেই হিচককৰ সাফল্যৰ ওপৰত সন্দেহ প্রকাশ কৰিছিল। কাৰণ আমেৰিকাৰ এই অচিনাকি পৰিৱেশত হিচককৰ পক্ষে বিশ্বৰ নামী-দামী পৰিচালকসকলৰ সৈতে ফেৰ মৰাটো সহজ কথা নাছিল। কিন্তু সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই হিচককৰ



কঢ়িয়াই আনে অভাৱনীয় সাফল্য। অকল এয়াই জানো? সেই ছবিখনে শ্রেষ্ঠ কাহিনী চিত্র হিচাপে ছবিজগতৰ আটাইতকৈ সন্মানীয় পুৰস্কাৰ 'অস্কাৰ' বঁটাও লাভ কৰে। ছাৰ লৰেন্স অলিভিয়াৰ অভিনীত উক্ত ছবিখনৰ নাম আছিল 'ৰেবেকা'। হিচককৰ বৈচিত্র্যপূর্ণ ফিল্মী জীৱনত ৰেবেকা আছিল মাইলষ্টোন।

হিচককে তেওঁৰ ছবিৰ চৰিত্রসমূহ পচন্দ কৰোতে খুউব সতর্কত অৱলম্বন কৰিছিল। সেয়েহে বিভিন্ন ছবিত বিভিন্ন 'জনপ্রিয়' অভিনেতাসকলৰ আগমন ঘটিছিল। ছবিৰ বাণিজ্যিক দিশটোৰ প্রতি লক্ষ্য ৰাখি 'ষ্টাৰ ভেলু'ক কামত লগাবলৈ তেওঁ পাছ হোঁহকা নাছিল। সেয়েহে 'ৰেবেকা'ত যদি লৰেন্স অলিভিয়াৰক দেখা গৈছিল, 'আই উইট্‌নেছ'ত দর্শকে দেখিবলৈ পাইছিল মণ্টগোমেৰি ক্লিফটক। হিচককৰ কিন্তু আটাইতকৈ প্রিয় অভিনেতা গৰাকী হ'ল জেমছ ষ্টুৱার্ড। কিংবদন্তি অভিনেতা গ্রেগৰী পেক সম্পর্কে হিচককৰ মন্তব্য আছিল— 'হলীউডৰ আটাইতকৈ ব'ৰিং অভিনেতা'। আমোদজনক কথাটো হ'ল এই গ্রেগৰী পেকক লৈয়ে হিচককে দুখনকৈ ছবিও নির্মাণ কৰিছিল।

১৯৫৪ চনত হিচককৰ আন এখন ছবি 'ৰিয়াৰ উইনডো'ৰে মুক্তি পায়। ছবিখনে ইমানেই সাফল্য লাভ কৰে, যিটো হিচককৰো কল্পনাৰ অতীত আছিল। এই ছবিৰ সফলতাত পেৰামাউণ্ট ষ্টুডিঅ'ই হিচকক্ক চুক্তিবদ্ধ কৰালে তেওঁলোকৰ ছবি এখন নির্মাণৰ বাবে। ফলস্বৰূপে সৃষ্টি হ'ল কেৰি গ্রাণ্ট আৰু গ্রেচ [illegible] অভিনীত ছবি 'টু কেচ্চ এ থিফ'ৰ। এই ছবি নির্মাণৰ সময়তে হিচককৰ জীৱনলৈ প্রেমজনিত এক ট্রেজেডীও আহে, যিয়ে বহুদিনলৈ হিচকক্ক মুহ্যমান কৰি ৰাখিছিল। ছবিৰ শ্যুটিঙৰ সময়তে হিচকক গ্রেচ কেলিৰ প্রতি আসক্ত হৈ পৰিছিল। কিন্তু তেওঁৰ এই প্রেম একপক্ষীয় হৈয়েই ৰ'ল। উক্ত ছবিখনৰ নির্মাণকার্য চলি থকাৰ সময়তে গ্রেচ কেলিৰ মোনাকোৰ ৰাজকুমাৰ ৰেইনাটুৰ সৈতে বিয়া হৈ যায়। এই ঘটনাই তেওঁৰ জীৱনত বাৰুকৈয়ে প্রভাৱ পেলাইছিল যদিও তেওঁৰ গতি স্তব্ধ হৈ নপৰিল। ফলস্বৰূপেই জন্ম হ'ল 'চাইকো'ৰ। হিচককৰ দ্বাৰা নির্মিত ছবিসমূহৰ ভিতৰত আটাইতকৈ জনপ্রিয় কোনখন বুলি সুধিলেই একেষাৰে নাম ল'ব পাৰি 'চাইকো'ৰ। 'চাইকো' পৃথিৱীৰ বিভিন্ন ভাষাত ৰি-মেক হৈছে। ইয়াৰ জনপ্রিয়তাত সৃষ্টি হৈছে 'চাইকো-টু'ৰ।

হিচককৰ ছবিত যিমান ডাঙৰেই লাগে ষ্টাৰ নাথাকক, আচল ষ্টাৰ কিন্তু আছিল স্বয়ং তেৱেঁই। তেওঁৰ প্রায়বোৰ ছবিতে তেওঁ এবাৰ হ'লেও ভুমুকি মাৰিছিল। তেওঁৰ আগমনে যথেষ্ট হাস্যৰসৰ সৃষ্টি কৰিছিল। 'লাইফ বোট' ছবিখনত তেওঁ দেখা দিছিল মাত্র এখন ছবি হৈ। এখন নাৱত উঠি যোৱা যাত্রীবোৰে নদীৰ পানীত উটি যোৱা কাগজ এখনত মেদ কমোৱাৰ এটা বিজ্ঞাপন দেখিছিল আৰু সেই বিজ্ঞাপনটোৰ মডেল আছিল হিচকক। মজাৰ কথাটো হ'ল যে ব্যক্তিগত জীৱনত হিচককে সেই ঔষধটো ব্যৱহাৰ কৰিয়েই নিজৰ মেদ কমাবলৈ সক্ষম হৈছিল।

হিচককৰ বর্ণাঢ্য জীৱনটোক লৈ বহুকেইখন গ্রন্থ ৰচিত হৈছে। সেই সময়ৰ আন এজন বিখ্যাত পৰিচালক ফ্রাঁছোৱা ক্রুফোই হিচককৰ বহুকেইটা সাক্ষাৎকাৰ লৈ আৰু আন আন উৎসৰ পৰা তথ্য সংগ্রহ কৰি হিচককৰ জীৱনী গ্রন্থ এখন ৰচনা কৰে, যিখন ১৯৬৯ চনত 'হিচ' নামেৰে প্রকাশ পায়। হিচককৰ সংগ্রামপূর্ণ জীৱনৰ প্রতিটো খুঁটি-নাটি উক্ত গ্রন্থখনত খুউব সুন্দৰকৈ দাঙি ধৰা হৈছিল। ১৯৮০ চনৰ ২৯ এপ্রিলৰ দিনাখন বিশ্ববন্দিত ছবিজগতৰ এই প্রবাদ পুৰুষগৰাকীয়ে তেওঁৰ সংগ্রামী জীৱনৰ অন্ত পেলায়। কিন্তু চেলুলয়ডৰ মাধ্যমত তেওঁ সৃষ্টি কৰা আতংকৰ শিহৰণে আজিও ৰোমাঞ্চিত কৰি ৰাখিছে প্রতিগৰাকী চিত্রপ্রেমীৰ মন।